**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। মহিলাসকলে নীতি প্ৰণয়ন আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সক্ৰিয় হ'লেহে ২০৪৭ চনৰ বিকশিত ভাৰত গঢ়াৰ যাত্ৰা শক্তিশালী হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। ভাৰতীয় সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ আজি ১৩৬ সংখ্যক জয়ন্তী।

৩। অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে।

৪। ছত্তিশগড়ৰ শাকতি জিলাৰ এটা শক্তি প্ৰকল্পত হোৱা বিস্ফোৰণত আজি ৪ জন শ্ৰমিকে প্ৰাণ হেৰুৱায় আৰু অন্য ১৫ জন আহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

০০০০০

মহিলাসকলে নীতি প্ৰণয়ন আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সক্ৰিয় হ'লেহে ২০৪৭ চনৰ বিকশিত ভাৰত গঢ়াৰ যাত্ৰা শক্তিশালী হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। ভাৰতীয় নাৰী শক্তিলৈ লিখা এখন পত্ৰত শ্ৰী মোদীয়ে কয়, যে অহা ১৬ এপ্ৰিলৰ পৰা সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত নাৰী শক্তি বন্দনা অধিনয়ম শীৰ্ষক এটা গুৰুত্বপূৰ্ণ সাংবিধানিক সংশোধনী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই অধিৱেশনত এই বিধেয়ক গৃহীক হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ মহিলাসকল বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত অংশগ্ৰহণৰ বাবে অধিক সুযোগ লাভ কৰিবলৈ অগ্ৰসৰ হোৱাৰ পথত আনন্দিত হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০২৯ চনৰ লোকসভা নিৰ্বাচন আৰু ৰাজ্যৰ বিধানসভাসমূহৰ নিৰ্বাচনত মহিলাৰ বাবে আসন সংৰক্ষিত হ'লে দেশৰ গণতান্ত্ৰিক ব্যৱস্থা অধিক শক্তিশালী আৰু প্ৰাণবণ্ট হ'ব। এই বিধেয়ক গৃহীত কৰণত হোৱা অনাহক বিলম্ব দুৰ্ভাগ্যজনক আৰু মহিলাসকলৰ বাবে অন্যায় হিচাপে পৰিগণিত হ'ব বুলি তেওঁ কয়। দেশৰ নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত মহিলাৰ কণ্ঠ শক্তিশালী হ'ল

গণতন্ত্ৰৰ কণ্ঠও শক্তিশালী হ'ব বুলি শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে।  তেওঁ শীঘ্ৰে এই অধিনিয়ম কাৰ্যকৰী কৰাৰ বাবে সকলোকে সক্ৰিয় হ'বলৈ আহ্বান জনায়।

ইপিনে, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়কক সময়ৰ আহ্বান বুলি অভিহিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এখন পত্ৰ সামাজিক মাধ্যমত শ্বেয়াৰ কৰি শ্ৰীশ্বাহে কয়, যে নীতি প্ৰণয়ন আৰু ৰাষ্ট্ৰৰ সৱলীকৰণৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাটো নাৰী শক্তিৰ প্ৰাপ্য। মোদী চৰকাৰ এই বিধেয়কখন সংসদত উত্থাপন আৰু ৰূপায়ণ কৰিবলৈ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয়, যে উন্নত ভৱিষ্যতৰ বাবে অনতিপলমে এই পৰিৱৰ্তন কাৰ্য্যকৰী হ'ব লাগে। তেওঁ লগতে সকলোৱে আগবাঢ়ি আহি এই ঐতিহাসিক পদক্ষেপৰ প্ৰতি সমৰ্থন আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কয়, যে নাৰী শক্তি বন্দনা অধিনিয়ম দেশৰ গণতন্ত্ৰক শক্তিশালী কৰাৰ দিশে লোৱা এটা নিৰ্ণায়ক পদক্ষেপ। দেশৰ মহিলাসকললৈ প্ৰধানমন্ত্ৰীয়ে লিখা এখন পত্ৰ শ্বেয়াৰ কৰি শ্ৰীনবীনে কয়, যে দেশৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত মহিলাসকলৰ মতামতেও সমান অধিকাৰ লাভ কৰিলেহে প্ৰকৃত অৰ্থত সৰ্বাত্মক গণতন্ত্ৰ সম্ভৱপৰ হৈ উঠিব।

০০০০০

ভাৰতীয় সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ আজি ১৩৬ সংখ্যক জয়ন্তী। স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ, আইনবিদ আৰু সমাজ সংস্কাৰক ড০ আম্বেদকাৰৰ ১৮৯১ চনৰ আজিৰ দিনটোতে মধ্য প্ৰদেশৰ এটা দলিত পৰিয়ালত জন্ম হৈছিল। তেওঁৰ জন্মদিনটো প্ৰতি বছৰে সমতা দিৱস হিচাপে উদযাপন কৰি অহা হৈছে।  এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণক বহুমুখী ব্যক্তিত্বসম্পন্ন সমাজ সংস্কাৰকজনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলিত আৰু বঞ্চিতসকলৰ কাৰণে অহৰহ যুদ্ধৰত ন্যায়বীৰজনৰ আদৰ্শই ভাৰতবাসীক সদায়েই অনুপ্ৰাণিত কৰি যাব বুলি মন্তব্য কৰে। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদে আম্বেদকাৰৰ জয়ন্তী উপলক্ষে সংসদ ভৱনৰ প্ৰেৰণাস্থলত থকা ড০ বি আৰ আম্বেদকাৰৰ সমাধিত শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞা ৰাইজে গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱান আগবঢ়াই প্ৰিয়জন তথা আত্মীয়স্বজনক বিহুৰ ওলগ জনোৱা হ'ব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত চৌদিশ মুখৰ হৈ উঠিছে।

গৰুবিহু উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে মাহ, হালধী আৰু বেঙেনা খুৱাই গৰুক গা ধুওৱা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বহাগ বিহু, বৈশাখী, বিষু, বিষুৱ, পইলা বৈশাখ, মেষাদী, বৈশাখদী আৰু পুঠুণ্ডু উপলক্ষে দেশবাসীক ওলগ জনায়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয়, যে দেশৰ বিভিন্ন অংশত পালন কৰা কৃষিভিত্তিক উৎসৱৰ মাজেৰে জনসাধাৰণে আই ধৰিত্ৰীলৈ আৰু অন্নদাতা কৃষকসকললৈ কৃতজ্ঞতা প্ৰকাশ কৰে। এই উৎসৱসমূহৰ উদযাপনৰ মাধ্যমেৰে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্য, কৃষি পৰম্পৰা আৰু দেশৰ একতা অভিব্যক্তি প্ৰকাশ পায় বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে এই উৎসৱসমূহে এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ ভাৱনা প্ৰতিফলিত কৰে। এই উৎসৱসমূহে প্ৰতিগৰাকী নাগৰিকৰ জীৱনলৈ সমৃদ্ধি আৰু নতুন আশাৰ বতৰা কঢ়িয়াই আনিব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা কৰে।

ooooo

ছত্তিশগড়ৰ শাকতি জিলাৰ এটা শক্তি প্ৰকল্পত হোৱা বিস্ফোৰণত  আজি ৪ জন শ্ৰমিকে প্ৰাণ হেৰুৱায় আৰু অন্য ১৫ জন আহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, প্ৰকল্পস্থলীত কেইজনমান শ্ৰমিক আৱদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে। আহতসকলক ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু আৱদ্ধ শ্ৰমিকসকলক উদ্ধাৰ কৰাৰ বাবে অভিযান অব্যাহত আছে।

ooooo

বিহাৰত বিজেপি বিধায়ক সম্ৰাট চৌধৰীক দলৰ বিধায়িনী গোটৰ নেতা হিচাপে বাছনি কৰা হৈছে। ইয়াৰ লগে লগে শ্ৰীচৌধৰী ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱাৰ পথ প্ৰশস্ত হৈছে। পাটনাত আজি অনুষ্ঠিত বিজেপি বিধায়িনী গোটৰ বৈঠকৰ অন্তত কেন্দ্ৰীয় পৰ্য্যবেক্ষক হিচাপে নিযুক্ত কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে সম্ৰাট চৌধৰীক সৰ্ব সন্মতিক্ৰমে বিধায়িনী গোটৰ নেতা হিচাপে বাছনি কৰা হৈছে।

নীতিশ কুমাৰে মুখ্যমন্ত্ৰী পদ ত্যাগ কৰাৰ পাছত সম্ৰাট চৌধৰীক বিজেপি বিধায়িনী দলৰ নেতা হিচাপে বাছনি কৰা হৈছে। শ্ৰীকুমাৰে অলপতে ৰাজ্যসভাৰ সদস্য হিচাপে শপত লৈছে। নতুন মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডত বছৰজুৰি পৰ্যটনক প্ৰসাৰিত কৰাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ শীতকালীন পৰ্যটন, শীতকালীন ক্ৰীড়া, আৰু গন্তব্য বিবাহৰ গন্তব্যস্থান হিচাপে ৰাজ্যখনৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ ওপৰত আলোকপাত কৰে, লগতে দেৱভূমিত পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈও আহ্বান জনায়। ডেৰাডুনত দিল্লী-ডেৰাডুন অৰ্থনৈতিক কৰিডৰৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে কয় যে ৰাজ্যখনৰ অৰ্থনীতিৰ বাবে ১২

মাহজোৰা পৰ্যটন অতি গুৰুত্বপূৰ্ণ। ২০২৩ চনত কৈলাশ আৰু ওম পৰ্বত ভ্ৰমণৰ কথা উল্লেখ কৰি তেওঁ কয় যে তেতিয়াৰ পৰা ভক্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে শীতকালত ইয়াৰ পূৰ্বে মাত্ৰ কেইশমান লোকেহে ভ্ৰমণ কৰিছিল যদিও ২০২৫ চনত ৪০ হাজাৰতকৈ অধিক তীৰ্থযাত্ৰীয়ে এই যাত্ৰাত অংশ লৈছিল, যাৰ ফলত স্থানীয় বাসিন্দাসকলৰ বাবে জীৱিকাৰ সুযোগ সৃষ্টি হৈছিল।

দিল্লী-ডেৰাডুন অৰ্থনৈতিক কৰিডৰৰ সুবিধাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে আতিথ্য, পৰিবহণ, আৰু অন্যান্য স্থানীয় সেৱাৰ সৈতে জড়িত লোকসকলৰ আয় বৃদ্ধি কৰিব। সমাগত কুম্ভমেলাৰ কথাও উল্লেখ কৰি তেওঁ কয় যে ধৰ্মীয় অনুষ্ঠানৰ বাবে উত্তৰাখণ্ডলৈ বৃহৎ সংখ্যক ভক্তই অহাৰ সম্ভাৱনা আছে। বহণক্ষম পৰ্য্যটন আৰু ৰাজ্যখনৰ বাবে দীৰ্ঘম্যাদী অৰ্থনৈতিক লাভ নিশ্চিত কৰাৰ বাবে উত্তৰাখণ্ডৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পবিত্ৰতা ৰক্ষা কৰা  অতি প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্ব আৰোপ কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কয় যে বিজেপিয়ে পশ্চিম বংগক বিভাজিত নকৰাকৈ দাৰ্জিলিং পাহাৰত গোৰ্খা সমস্যা সমাধান কৰিব। উত্তৰ বংগ জিলা দক্ষিণ দিনাজপুৰৰ গংগাৰামপুৰত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীশ্বাহে কয় যে বিজেপিয়ে চৰকাৰ গঠন কৰাৰ পাছত ৰাজনৈতিক হিংসা আৰু ছিণ্ডিকেট ৰাজ অন্ত পেলাব আৰু পশ্চিম বংগৰ পৰা অনুপ্ৰৱেশকাৰীক উচ্ছেদ কৰিব। উত্তৰ বংগত এইমছ, ৬০০ বিছনাযুক্ত কেন্সাৰ চিকিৎসালয়, আই আই টি, আই আই এম, ক্ৰীড়া বিশ্ববিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে কয়, যে যদিহে পশ্চিমবঙ্গত বিজেপি শাসনলৈ আহে, তেন্তে, উমৈহতীয়া দেৱানী বিধি বলবৎ কৰা হ'ব আৰু নাৰী সৱলীকৰণ বিজেপি চৰকাৰৰ প্ৰধান অগ্ৰাধিকাৰ হব। ৰাজবংশী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰা হ'ব বুলিও শ্ৰীশ্বাহে আশ্বাস দিয়ে।

ইপিনে, ৰায়গঞ্জ আৰু মালদাত নিৰ্বাচনী সভাত ভাষণ দি জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে তৃণমূল কংগ্ৰেছ চৰকাৰে ৰাজ্যৰ যুৱক-যুৱতীসকলক চাকৰি প্ৰদানৰ

প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ বাবে সমালোচনা কৰে। তেওঁ কয়, মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পাঁচ লাখ লোকক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও ৮৪ লাখ যুৱকে নিবনুৱা ভাট্টা বিচাৰি আবেদন কৰিছে। শ্ৰী গান্ধীয়ে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ (SIR)ক অসাংবিধানিক বুলি অভিযোগ কৰে ।

০০০০০

তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যখনত বিশেষ পুংখানুখানু সংশোধনী (এছআইআৰ)ৰ অধীনত নাম বাদ পৰাৰ অভিযোগত আজি নিৰ্বাচন আয়োগক কঠোৰ সমালোচনা কৰে। শ্ৰী মতী বেনাৰ্জীয়ে পশ্চিমবংগত বিধানসভা নিৰ্বাচন উপলক্ষ্যে হাওৰা জিলাৰ জগতবল্লৱপুৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভাত ভাষণ দিয়ে। তেওঁ পশ্চিম বংগত বৈধ ভোটাৰৰ নাম কৰ্তনৰ বাবে বিজেপিয়ে নিৰ্বাচন আয়োগক ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে । টিএমচি নেত্ৰী গৰাকীয়ে তৃণমূল কংগ্ৰেছক ভোট দিবলৈ আহ্বান জনায় । মমতা বেনাৰ্জীয়ে আজি পশ্চিম মেদিনীপুৰ আৰু পূৰ্বা মেদিনীপুৰ জিলাত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভাত অংশগ্ৰহন কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ্ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৬ এপ্ৰিলত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড।

০০০০০

সমাপ্ত